# শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰসমূহৰ বিকাশ সাধনৰ বাবে প্ৰস্তুত কৰা মুক্ত শৈক্ষিক সমল

**শ্ৰেণী ঃ সপ্তম          বিষয় ঃ ভাষা-১ (অসমীয়া)    তৃতীয় সাময়িকী (আগষ্ট, ছেপ্তেম্বৰ), ২০১৮ ইং**

শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰ (Grey Area) - পঠন কৌশল
(গুণোৎসৱৰ - ২০১৭ৰ ফলাফল অনুসৰি)

**শিকন ফলাফলৰ উপক্ষেত্ৰ ঃ**

⇨ ছাত্ৰ-ছাত্ৰীয়ে পঠনবোধ আহৰণ কৰি তালিকাত থকা তথ্য নিৰূপণ কৰিব পৰা।

⇨ ছাত্ৰ-ছাত্ৰীয়ে যিকোনো জাননী, তালিকা, দফা, চিঠি আৱেদন আদি পঠন কৰি কঠিন আৰু নতুন শব্দবিলাকৰ অৰ্থ ক'ব আৰু লিখিব পৰা।

⇨ ছাত্ৰ-ছাত্ৰীয়ে বিষয়বস্তুৰ লগত সম্পৰ্কিত প্ৰশ্নৰ উত্তৰ দিব পৰা।

⇨ ছাত্ৰ-ছাত্ৰীয়ে দ্ৰুত পঠনৰ কৌশল আয়ত্ব কৰা।

**শৈক্ষিক দিনপঞ্জী অনুসৰি তৃতীয় সাময়িকী (আগষ্ট-ছেপ্তেম্বৰ) লৈকে জড়িত পাঠ্যপুথিৰ পাঠসমূহ ঃ**

| | | |
|---|---|---|
| ক) জতুৰাৰ জঁট | - | পাঠ নং ১১ |
| খ) পণ্ডিত আনন্দৰাম বৰুৱা | - | পাঠ নং ১২ |
| গ) সেউজী ধৰণী | - | পাঠ নং ১৩ |
| ঘ) ধূলিকণা মই | - | পাঠ নং ১৪ |

**পাতনি ঃ**

এই সমল সামগ্ৰীত "শিক্ষাৰ অধিকাৰ আইন ২০০৯" অনুসৰি জাতি, ধৰ্ম, বৰ্ণ, লিংগ আৰু বিশেষভাৱে সক্ষম শিশু নিৰ্বিশেষে সকলো শিশুৰ প্ৰতি সম আচৰণ দেখুওৱা আৰু সকলোৰে বাবে প্ৰাথমিক শিক্ষা বাধ্যতামূলক নিশ্চিত কৰাৰ প্ৰতি দৃষ্টি ৰখা হৈছে।

উচ্চ প্ৰাথমিক বিদ্যালয়ৰ পৰ্যায়ত অনুষ্ঠিত গুণোৎসৱৰ ফলাফল অনুধাৱন কৰি দেখা গৈছে যে সপ্তম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে জাননী অথবা তালিকা এখন পঢ়ি তাৰ তথ্য নিৰূপণ কৰাত বিফল হৈছে। আমি জানোঁ যে এটা ভাষাত দখল সাব্যস্ত কৰাৰ প্ৰধান চৰ্ত হৈছে— ভাষাটোৰ চাৰিটা কৌশল আয়ত্ত কৰা। এই কৌশল চাৰিটা হৈছে - শ্ৰৱণ, কথন, পঠন আৰু লিখন। ভাষা শিকনত পঠন কৌশল গুৰুত্বপূৰ্ণ, কাৰণ পঠনবোধ হ'বলৈ হ'লে ছাত্ৰ-ছাত্ৰীয়ে কেৱল শব্দ আৰু বাক্য আদি ফুটাই পঢ়িলেই নহ'ব। সেইবোৰৰ তাৎপৰ্য কি, বা সেইবোৰে কি অৰ্থ প্ৰকাশ কৰিছে, তাকো জানিব লাগিব। পাঠটো পঢ়াৰ পাছত পাঠটোৰ জৰিয়তে কি কথা বুজাবলৈ চেষ্টা কৰা হৈছে, সেইটো বোধগম্য হ'লেহে ছাত্ৰ-ছাত্ৰীয়ে পাঠটোত থকা তথ্য নিৰূপণ কৰিব পাৰিব।

পঠন কৌশল আয়ত্ত কৰাৰ বাবে নিৰ্দিষ্ট পাঠ্যপুথিখন পঢ়াই যথেষ্ট নহয়। ভাষাত দক্ষতা অৰ্জনৰ বাবে পাঠ্যপুথিৰ উপৰি পাঠ্যপুথি বহিৰ্ভূত কিতাপ, আলোচনী আদিও পঢ়িব লাগিব। সেয়েহে, ছাত্ৰ-ছাত্ৰীসকলৰ পঠনত দেখা দিয়া এনে শিকন ঘাটি দূৰ কৰাৰ বাবে পাঠ্যপুথিত থকা ক্ৰিয়া-কলাপৰ উপৰি কিছু

অতিৰিক্ত ক্ৰিয়া-কলাপ আৰু অনুশীলন কৰাৰ প্ৰয়োজন নিশ্চয় আছে। এই সমল সামগ্ৰীৰপৰা আমি ছাত্ৰ-ছাত্ৰীৰ পঠনৰ দুৰ্বলতা দূৰ কৰাৰ বাবে প্ৰয়োজনীয় অনুশীলন আৰু ক্ৰিয়া-কলাপৰ বিষয়ে জানিব পাৰিম আৰু শ্ৰেণীকোঠাত ব্যৱহাৰ কৰি সুফল পাম বুলি আশা কৰিব পাৰি।

**ওপৰত উল্লিখিত শিকনৰ ফলাফলসমূহৰ গুৰুত্ব অপৰিসীম —**

⇨ যতি, বিৰাম আদিৰ প্ৰতি লক্ষ্য ৰাখি স্পষ্ট আৰু শুদ্ধ উচ্চাৰণেৰে পঢ়িব পাৰিব।

⇨ পাঠৰ অন্তৰ্গত শব্দ আৰু বাক্যসমূহে বহন কৰা ভাব, আবেগ-অনুভূতি আমি প্ৰকাশ হোৱাকৈ সাৱলীলভাবে পঠন কৰাৰ দক্ষতা আহৰণ কৰিব।

⇨ পাঠ এটা পঢ়ি পাঠটোৱে কি কথা বুজাইছে, কি অৰ্থ বহন কৰিছে জানিব পাৰিব।

⇨ বিভিন্ন ধৰণৰ চিঠি, আৱেদন আদি পঢ়াৰ দক্ষতা আহৰণ কৰিব।

⇨ পঠন দক্ষতা বঢ়াব পাৰিব।

⇨ পঠনৰ জৰিয়তে নতুন নতুন শব্দ আহৰণ কৰি শব্দ-ভাণ্ডাৰ সমৃদ্ধ কৰিব পাৰিব।

**পঠন কৌশল বিকাশৰ ব্যৱস্থাৱলী ঃ**

⇨ এই সমল সামগ্ৰী অধ্যয়ন কৰি শুদ্ধ আৰু স্পষ্ট উচ্চাৰণেৰে অৰ্থবোধ হোৱাকৈ পঠন কৰাৰ বাবে উপযুক্ত কাৰ্যকৰী পদক্ষেপ গ্ৰহণ কৰিব পাৰি।

⇨ পঠনৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তা অনুধাৱন কৰিব পাৰি।

⇨ ক্ৰিয়া-কলাপ অনুশীলনীৰ পৰিকল্পনা কৰিব পাৰি।

⇨ ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক অগ্ৰগতিৰ মান নিৰূপণ কৰিব পাৰি।

**এই সমল সামগ্ৰীৰ পৰা শিক্ষক হিচাপে আমি কি শিকিব পাৰিম ?**

এই গোটটো অধ্যয়নৰ যোগেদি শিক্ষক হিচাপে আমি ছাত্ৰ-ছাত্ৰীৰ পঠন কৌশল বিকাশৰ বাবে ক্ৰিয়া - কলাপৰ লগত ছাত্ৰ-ছাত্ৰীক জড়িত কৰিব পাৰিম।

⇨ জড়িত কৰাৰ কাৰণে পৰিৱেশ সৃষ্টি কৰিব পাৰিম।

⇨ অভ্যাস আৰু অনুশীলনৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ পঠনৰ দুৰ্বলতাসমূহ দূৰ কৰিব পাৰিম।

⇨ বিভিন্ন ধৰণৰ পাঠ পঢ়ি পাঠৰ বিষয়বস্তুৰ তথ্য আহৰণ, বিশ্লেষণ আৰু ব্যাখ্যা কৰাৰ সুযোগ পাম।

⇨ বিষয়বস্তুৰ বিস্তৃত জ্ঞান লাভ কৰিবলৈ সুবিধা পাম।

⇨ ইয়াৰ জৰিয়তে নতুন ক্ৰিয়া-কলাপৰ পৰিকল্পনা কৰিব পাৰিম।

এই সমলটোত ছাত্ৰ-ছাত্ৰীৰ সৈতে কৰিবলগীয়া শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ এটা আৰ্হিমূলক ৰূপৰেখা সংক্ষেপে উপস্থাপন কৰা হ'ল ঃ

| শিকনৰ ফলাফল | সামগ্ৰী | শিকন প্ৰক্ৰিয়া | প্ৰশ্নাৱলী | মূল্যায়ন |
|---|---|---|---|---|
| ক)জাননী বা তালিকা পঢ়ি কঠিন আৰু নতুন শব্দবোৰৰ অৰ্থ ক'ব আৰু লিখিব পাৰিব, সেই শব্দবোৰ প্ৰয়োগ কৰি অৰ্থপূৰ্ণ বাক্য পঠন কৰিব পাৰিব। | ⇨ কঠিন আৰু নতুন শব্দৰ অৰ্থৰ তালিকা।<br>⇨ বাক্যৰ তালিকা | দলগত ক্ৰিয়া-কলাপ | তলত দিয়া শব্দবোৰ মনযোগেৰে পঢ়ি অৰ্থ প্ৰকাশ হোৱাকৈ বাক্য সাজা-<br>লুপ্তপ্ৰায়,<br>সংৰক্ষণ,<br>সজাগতা। | **অবিৰত আৰু সামগ্ৰিক মূল্যায়ন** |

| | | | | |
|---|---|---|---|---|
| খ ) জাননী, চিঠি আবেদন পঢ়ি বিষয়বস্তুৰ লগত সম্পৰ্কিত প্ৰশ্নৰ উত্তৰ দিব পাৰিব। | ⇨ মূল কথাত আলোকপাত কৰি প্ৰস্তুত কৰা তালিকা। | দলগত ক্ৰিয়া-কলাপ | ১) বন্যপ্ৰাণী সপ্তাহ কেতিয়া পালন হয়?<br>২) বন্যপ্ৰাণী সপ্তাহ কিয় পালন কৰা হয়?<br>৩) জাননীখনত দিয়া বিদ্যালয়খনৰ নাম কি? | অবিৰত আৰু সামগ্ৰিক মূল্যায়ন |
| গ )দ্ৰুত পঠনৰ কৌশল আয়ত্ত কৰিব পাৰিব। | ⇨ পাঠ্যপুথি | দলগত ক্ৰিয়া-কলাপ | তোমালোকৰ পাঠ্যপুথিৰ পণ্ডিত আনন্দৰাম বৰুৱা পাঠটিৰ অন্তৰ্গত ৩ নং দফাটো মনোযোগেৰে পঢ়ি তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ লিখা।<br>১)আনন্দৰাম বৰুৱাৰ পিতৃৰ নাম কি?<br>২)তেখেতৰ মাতৃৰ নাম কি?<br>৩)তেখেতৰ জন্ম ক'ত আৰু কেতিয়া হৈছিল? | |

**ক্ষেত্ৰ অধ্যয়ন** (Case Study) ঃ

অজিত গগৈ শিৱসাগৰৰ এখন উচ্চ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক। যোৱা গুণোৎসৱত সপ্তম শ্ৰেণীৰ অসমীয়া ভাষাৰ পঠন কৌশল মূল্যায়নৰ বাবে ছাত্ৰ-ছাত্ৰীক জাননী এখন পঢ়িবলৈ দি, ছাত্ৰ-ছাত্ৰীৰ বিষয়বস্তুৰ বোধ পৰীক্ষা কৰাৰ সময়ত গগৈ ছাৰে মন কৰিছিল যে তেখেতৰ বিদ্যালয়ৰ প্ৰায় সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে জাননী এখন পঢ়ি তাৰ পৰা তথ্য আহৰণ কৰিব পৰা নাই। জাননী এখন পঢ়ি ছাত্ৰ-ছাত্ৰীসকলে তাৰ লগত সম্পৰ্কিত প্ৰশ্নৰ শুদ্ধ উত্তৰ দিব নোৱৰা কথাটোৱে গগৈ ছাৰক বাৰুকৈয়ে চিন্তিত কৰি তুলিছিল। গতিকে এই শিকন ঘাটি আঁতৰ কৰিবলৈ তেওঁ বেলেগ ধৰণে পৰিকল্পনা কৰিলে।

গগৈ ছাৰে প্ৰথমে শ্ৰেণীকক্ষত সোমাই ছাত্ৰ-ছাত্ৰীসকলৰ তিনিজনীয়া দল গঠন কৰিবলৈ লওঁতে দেখিলে যে বিশেষভাৱে সক্ষম ছাত্ৰ অনুপ শ্ৰেণীটোৰ একেবাৰে শেষৰ বেঞ্চত বহি আছে। তেওঁ অনুপক উঠি আহি প্ৰথম বেঞ্চত বহিবলৈ ক'লে। তাৰ পাছত তেওঁ পাঠ নং ১৩ ৰ (সেউজী ধৰণী) ৮৩ নং পৃষ্ঠাৰ 'জানি লোৱা' ত থকা 'বন্যপ্ৰাণী সপ্তাহ' শীৰ্ষক বিষয়টো জাননী আকাৰে কাৰ্ডত লিখি প্ৰতিটো দলকে একোখনকৈ কাৰ্ড ভগাই দিলে।

জাননীখন হ'ল -

## <u>জাননী</u>

ইয়াৰ দ্বাৰা শুকানপুখুৰী মধ্য ইংৰাজী বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক জনোৱা হ'ল যে অহা ০১/১০/২০১৮ ৰ পৰা ০৭/১০/২০১৮ লৈ লুপ্তপ্ৰায় প্ৰাণী আৰু গছ-গছনি সংৰক্ষণৰ বাবে ৰাইজৰ মাজত সজাগতা সৃষ্টি কৰিবলৈ বিদ্যালয়ত 'বন্যপ্ৰাণী সপ্তাহ' পালন কৰিবলৈ লোৱা হৈছে। গতিকে সকলো ছাত্ৰ-ছাত্ৰীকে উক্ত কাৰ্যসূচীত অংশ গ্ৰহণ কৰিবলৈ অনুৰোধ জনোৱা হ'ল।

স্বাক্ষৰ

প্ৰধান শিক্ষক

শুকানপুখুৰী মধ্য ইংৰাজী বিদ্যালয়

শ্ৰেণীকোঠাত গগৈ ছাৰে উক্ত জাননীখন প্ৰথমে নিজে স্পষ্ট আৰু শুদ্ধ উচ্চাৰণেৰে যতি, বিৰাম চিহ্নৰ প্ৰতি লক্ষ্য ৰাখি সকলোৱে শুনাকৈ পঢ়ি শুনালে আৰু ছাত্ৰ-ছাত্ৰীসকলক মনোযোগেৰে তেওঁৰ পঠন শুনিবলৈ ক'লে। তাৰ পাছত তেওঁ প্ৰতিটো দলৰে ছাত্ৰ-ছাত্ৰীসকলক জাননীখন পঢ়িবলৈ দিলে আৰু প্ৰয়োজন সাপেক্ষে ছাত্ৰ-ছাত্ৰীয়ে কৰা ভুলবোৰ শুধৰাই দিলে।

ছাত্ৰ-ছাত্ৰীসকলে পঢ়াৰ অন্তত গগৈ ছাৰে জাননীখনত কি কি কঠিন আৰু নতুন শব্দ পাইছে প্ৰতিটো দলকে বাছি উলিয়াবলৈ ক'লে। তেওঁ নিজেও ছাত্ৰ-ছাত্ৰীৰ বাবে সাম্ভাব্য কঠিন আৰু নতুন শব্দৰ অৰ্থসহ এখন তালিকা প্ৰস্তুত কৰি লৈ গৈছিল । তেওঁ তালিকাখন বেৰত ওলোমাই দিলে। তেওঁ তালিকাখনত থকা শব্দ আৰু অৰ্থবোৰ প্ৰতিটো দলকে পঢ়িবলৈ দিলে আৰু প্ৰতিটো শব্দৰে একোটাকৈ বাক্য সাজিবলৈ দিলে। তেওঁ ছাত্ৰ-ছাত্ৰীসকলে কোৱা প্ৰতিটো বাক্য বোৰ্ডত লিখি গ'ল। শেষত বাক্যবোৰ প্ৰতিটো দলৰে এজন ছাত্ৰক পঢ়িবলৈ দিলে আৰু দলৰ আন সদস্যসকলক বাক্যবোৰৰ বিষয়ে মতামত আগবঢ়াবলৈ উৎসাহিত কৰিলে। তাৰ পাছত গগৈ ছাৰে জাননীখনৰ মূল কথাখিনি পৰ্যায়ক্ৰমে লিখি অনা তালিকাখন ছাত্ৰ-ছাত্ৰীৰ আগত দাঙি ধৰিলে আৰু ছাত্ৰ-ছাত্ৰীসকলক পঢ়িবলৈ দিয়াৰ অন্তত তেওঁ মূল কথাখিনি ছাত্ৰ-ছাত্ৰীৰ সন্মুখত পুনৰ ব্যক্ত কৰিলে।

শেষত তেওঁলোকৰ জাননীখন পঢ়ি কথাখিনি বোধগম্য হ'ল নে নাই জানিবলৈ বৰ্ডত কিছুমান প্ৰশ্ন লিখি দিলে।

প্ৰশ্নবোৰ হ'ল -

- ⇨ বন্যপ্ৰাণী সপ্তাহ কিমান তাৰিখৰ পৰা কিমান তাৰিখলৈ পালন কৰা হয়?
- ⇨ বন্যপ্ৰাণী সপ্তাহ কিয় পালন কৰা হয়?
- ⇨ জাননীখন দিয়া বিদ্যালয়খনৰ নাম কি?
- ⇨ জাননীখনত কোনে স্বাক্ষৰ কৰিছে?

এনেদৰে ছাত্ৰ-ছাত্ৰীসকলক পাঠদান কৰোৱাৰ অন্তত গগৈ ছাৰে দেখিলে যে ছাত্ৰ-ছাত্ৰীসকলে সুন্দৰকৈ বিষয়বস্তু বুজি পাইছে আৰু শুদ্ধভাৱে উত্তৰ দিবলৈ সক্ষম হৈছে।

***বিঃদ্ৰ*** *- অজিত গগৈয়ে শ্ৰেণীকোঠাত থকা বিশেষভাৱে সক্ষম ছাত্ৰজনৰ প্ৰতি বিশেষ গুৰুত্ব দিছিল।*

**চিন্তা কৰি চাওঁ আহক -**

- ⇨ শ্ৰেণীকোঠাত দল গঠন কৰি শিকন কাৰ্যকলাপত ছাত্ৰ-ছাত্ৰীক জড়িত কৰাৰ ফলত গগৈ ছাৰৰ কি সুবিধা হৈছিল?
- ⇨ গগৈ ছাৰে কিয় বাৰে বাৰে ছাত্ৰ-ছাত্ৰীসকলক পঠনত জড়িত কৰিছিল?
- ⇨ ছাত্ৰ-ছাত্ৰীয়ে ক্ৰিয়া-কলাপটো কৰি আনন্দ পাইছেনে?
- ⇨ সকলো ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিছেনে?
- ⇨ সকলো ছাত্ৰ-ছাত্ৰীৰে মূল্যায়ন কৰাত গগৈ ছাৰ সফল হৈছেনে?

**ক্ৰিয়া-কলাপ ঃ**

প্ৰস্তুতিঃ

এই ক্ৰিয়া-কলাপটো শ্ৰেণীকোঠাত কৰোঁৱাৰ আগতে তলৰ শিকন সামগ্ৰীসমূহ প্ৰস্তুত আৰু সংগ্ৰহ কৰি ল'ব লাগিব।

- ⇨ পাঠ্যপুথিৰ অন্তৰ্গত পাঠৰ দফাযুক্ত কাৰ্ড।
- ⇨ বাতৰি-কাকত, আলোচনীৰ পৰা কাটি লোৱা মহৎলোকৰ জীৱনী, পৰিৱেশ সম্পৰ্কীয় বাতৰি আদিৰ দফাৰ টুকুৰা।

শিক্ষকে প্ৰথমতে ছাত্ৰ-ছাত্ৰীসকলক তিনি বা চাৰিজনীয়া দলত ভাগ কৰি প্ৰতিটো দলকে তেওঁ লগত লৈ অনা একোটা পাঠৰ অন্তৰ্গত দফা থকা কাৰ্ড বা বাতৰি-কাকত, বা আলোচনীৰপৰা কাটি লোৱা দফাৰ টুকুৰা দিব আৰু প্ৰত্যেককে মনোযোগেৰে সেই লিখা অংশটো নীৰৱে পঠন কৰিবলৈ দিব। প্ৰতিটো দলে কিছু সময় নিজৰ নিজৰ ভাগত পৰা কাৰ্ড পৰ্যৱেক্ষণ আৰু নীৰৱ পঠন কৰাৰ পাছত শিক্ষকে প্ৰতেটো দলকে শুদ্ধ আৰু স্পষ্ট উচ্চাৰণেৰে পঢ়িবলৈ দিব। প্ৰতিজন ছাত্ৰই নিজৰ কাৰ্ডখন পঢ়োঁতে অন্যসকলক মনোযোগেৰে শুনিবলৈ ক'ব আৰু যদি কিবা ভুল হয় ভুলটো শুধৰাই দিবলৈ উৎসাহিত কৰিব আৰু শিক্ষকে নিজেও শুধৰাই দিব। এনেদৰে প্ৰতিটো দলে কাৰ্ডসমূহ পঢ়াৰ অন্তত শিক্ষকে তেওঁলোকৰ কাৰ্ডখনৰ বিষয়বস্তুৰ পৰা হ'ব পৰা সাম্ভাব্য প্ৰশ্নাৱলী যুগুত কৰিবলৈ দিব। তাৰ পাছত প্ৰতিটো দলকে নিজৰ মাজত আলোচনা কৰি প্ৰশ্নসমূহৰ উত্তৰ লিখিবলৈ দিব। প্ৰতিটো দলে নিৰ্দিষ্ট বিষয়বস্তু পঢ়ি বুজি পাই সাম্ভাব্য প্ৰশ্নোত্তৰসমূহ কৰাৰ অন্তত শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক অধিক নতুন নতুন বিষয়বস্তু পঢ়িবলৈ উৎসাহিত কৰিব আৰু তেওঁলোকৰ মাজত পঠন অনুশীলনৰ বাবে নতুন ক্ৰিয়া-কলাপ কৰাব পাৰিব।

এই ক্ৰিয়া-কলাপটোত -

- ⇨ প্ৰতিটো দলে দফাটিৰ পৰা হ'ব পৰা সাম্ভাব্য প্ৰশ্নসমূহ বাছি উলিয়াব পাৰিছে।
- ⇨ দলৰ ভিতৰত আলোচনা কৰি প্ৰশ্নসমূহৰ উত্তৰ শুদ্ধকৈ ক'ব আৰু লিখিব পাৰিছে।
- ⇨ ছাত্ৰ-ছাত্ৰীয়ে নিজে বাছি উলিওৱা প্ৰশ্নোত্তৰৰ আধাৰত স্ব-মূল্যায়ন কৰিব পাৰিছে।

***বিঃদ্ৰঃ - শ্ৰেণীকোঠাত থকা বিশেষ ভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীৰ প্ৰতি বিশেষ গুৰুত্ব দিব লাগিব।***

**সাৰাংশ ঃ**

উপৰোক্ত ক্ৰিয়া-কলাপটোৰ নিচিনাকৈ আমি শ্ৰেণীকোঠাত নানা ক্ৰিয়া-কলাপৰ পৰিকল্পনা কৰিব পাৰোঁ আৰু পাঠৰ বিষয়বস্তু আয়ত্ত কৰোঁৱাৰ বাবে ছাত্ৰ-ছাত্ৰীক বিভিন্ন অভ্যাসৰ জৰিয়তে পাঠৰ বিষয়বস্তু বুজি পোৱাত সহায় কৰিব পাৰোঁ। গতিকে পঠনৰ ক্ষেত্ৰত থকা দুৰ্বলতা দূৰ কৰি ছাত্ৰ-ছাত্ৰীৰ পঠন বোধ জন্মাবলৈ বিভিন্ন ধৰণৰ ক্ৰিয়া-কলাপ আৰু অনুশীলনৰ যথেষ্ট প্ৰয়োজন আছে।

**দৃঢ়ীকৰণ ঃ**

ছাত্ৰ-ছাত্ৰীসকলৰ পঠনবোধ দৃঢ়ীকৰণৰ বাবে তলত দিয়া প্ৰশ্নবোৰ কৰি চাওঁ আহকচোন -

তলত দিয়া দফাটো পঢ়ি প্ৰশ্নবোৰৰ উত্তৰ লিখা।

**দফা ঃ**

"আনন্দৰাম বৰুৱাৰ পিতৃ গৰ্গৰাম বৰুৱা আৰু মাতৃ দুৰ্লভেশ্বৰী বৰুৱা। মাক-দেউতাকৰ তৃতীয় সন্তান আনন্দৰাম বৰুৱাৰ ১৮৫০ চনৰ মে' মাহৰ ২১ তাৰিখে উত্তৰ গুৱাহাটীৰ ৰজাদুৱাৰত জন্ম হৈছিল। পণ্ডিত প্ৰবৰ চিবিভিলিয়ান আনন্দৰাম বৰুৱাই কামৰূপৰ উত্তৰ গুৱাহাটীৰ মজিন্দাৰ বৰুৱা বংশৰ লগতে অসমৰ নাম উজ্জ্বল কৰি থৈ গৈছে।"

**প্ৰশ্ন ঃ**

- ⇨ আনন্দৰাম বৰুৱাৰ পিতৃ-মাতৃৰ নাম কি?
- ⇨ তেখেতৰ জন্ম ক'ত হৈছিল?
- ⇨ তেখেতৰ জন্ম কিমান চনত হৈছিল?
- ⇨ তেখেতে কাৰ নাম উজ্বল কৰি থৈ গৈছে?

**ছাত্ৰ-ছাত্ৰীৰ বাবে অনুশীলনী ঃ**

- ⇨ 'পণ্ডিত আনন্দৰাম বৰুৱা' পাঠটিৰ প্ৰথম দফাটি পঢ়ি পৰ্যায়ক্ৰমে সাম্ভাব্য প্ৰশ্নসমূহ বাছি উলিয়াই উত্তৰ লিখা।
- ⇨ 'ধূলি-কণা মই' কবিতাটো পঢ়ি মূলভাবটো চমুকৈ লিখা।

**প্ৰসঙ্গ টোকা ঃ**

- ⇨ পাঠ্যপুথি - নতুন পাঠ।
- ⇨ TESS INDIA - মডিয়ুল।
- ⇨ অসমীয়া ভাষা শিক্ষণ পদ্ধতি - মদন শৰ্মা।
- ⇨ চন্দ্ৰকান্ত অভিধান, হেমকোষ অভিধান।

***